# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 02-04-2025
**Time :** 07-55 hrs

ASSAMESE MORNING BULLETIN

**::::::::::::::::::**

০০০০০

ৰাজ্যিক নিৰ্বাচন আয়োগে আসন্ন পঞ্চায়ত নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ কোনো ধৰণৰ নৈমিত্তিক আৰু আৰ্জিত ছুটি গ্ৰাহ্য নকৰিবলৈ সকলো জিলা আয়ুক্ত আৰু সমজিলা আয়ুক্তলৈ আজি নিৰ্দেশনা জাৰি কৰিছে। আয়োগৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি ৰাজ্যিক নিৰ্বাচন আয়োগৰ লিখিত অনুমতি অবিহনে পঞ্চায়ত নিৰ্বাচন অন্ত নপৰালৈকে ছুটি মঞ্জুৰ কৰিব পৰা নাযাব। ইপিনে, ৰাজ্যিক নিৰ্বাচন আয়ুক্ত আলোক কুমাৰে আজি বিয়লি ৫ বজাত এখন সংবাদমেল সম্বোধন কৰিব। এই সংবাদমেলযোগে আয়ুক্তগৰাকীয়ে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে ২ৰ পৰা ৪ এপ্ৰিলৰ ভিতৰত পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰিব বুলি প্ৰকাশ কৰি আহিছে। আজি পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ হ'বলগীয়া ৰাভা-হাছং স্বায়ত্ত শাসিত নিৰ্বাচনৰ বাবে ৰাজ্যিক নিৰ্বাচন আয়োগে বিয়লি ৫ বজাত সংবাদমেলখনৰ আয়োজন কৰিছে।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত আজি যোৰহাটত প্ৰায় ১১১ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও ৰাজহুৱা প্ৰকল্পৰ উদ্বোধন কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে ৫৮১ মিটাৰ দৈৰ্ঘ্যৰ কমাৰবন্ধা আলি ৰে'লৰে উৰণ সেতু, সম্পূৰ্ণ স্বয়ংক্ৰিয় পৰীক্ষা আৰু অত্যাধুনিক সা-সঁজুলি সম্পন্ন স্বয়ংক্ৰিয় যান-বাহন উপযোগিতা পৰীক্ষণ কেন্দ্ৰ আৰু ১২০ খন আসনযুক্ত আলোচনা কক্ষ, সংবাদ সন্মিলন কক্ষ ইত্যাদি সংলগ্ন যোৰহাট সন্মিলন কেন্দ্ৰটো আজি ৰাইজলৈ উৎসৰ্গিত কৰিব। ইয়াৰে উৰণ সেতুখন ৭৮ কোটি ২৭ লাখ, যান-বাহন পৰীক্ষা কেন্দ্ৰটো ১২ কোটি ৫০ লাখ আৰু সন্মিলন কেন্দ্ৰটো ২০ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰি উলিওৱা হৈছে। মন্ত্ৰী অজন্তা নেওগ আৰু যোগেন মহনৰ লগতে বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামী, ৰূপজ্যোতি কুৰ্মী তথা ভাস্কৰ জ্যোতি বৰুৱা আৰু অসম ৰাজ্যিক পৰিবন নিগমৰ অধ্যক্ষ পল্লব লোচন দাস এই কাৰ্যসূচীত উপস্থিত থকাৰ কথা।

০০০০০

অহা ১ জুলাইৰ পৰা ৰাজ্যৰ ক্ষুদ্ৰ কৃষক আৰু দুগ্ধ বিক্ৰেতাই কোনো ধৰণৰ খাজনা দিব নালাগে বুলি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি তেজপুৰত প্ৰকাশ কৰে। তেওঁ কয়, যে কৰ কাটল নিদিয়াকৈ গ্ৰামাঞ্চলত ক্ষুদ্ৰ কৃষকৰ লগতে দুগ্ধ পামৰ সৈতে জড়িতসকলে গ্ৰামাঞ্চলৰ বজাৰত নিজৰ উৎপাদিত সামগ্ৰী বিক্ৰি কৰিব পাৰিব। তদুপৰি গ্ৰামাঞ্চলৰ আৰ্থ-সামাজিক দিশটো উন্নত কৰিবলৈ অৰাজনৈতিকভাৱে পঞ্চায়ত গঠনত তেওঁ গুৰুত্ব আৰোপ কৰে। কোনো ৰাজনৈতিক দলৰ প্ৰাৰ্থীত্ব আৰু দলীয় প্ৰতীকচিহ্ন অবিহনে হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনত যোগ্য ব্যক্তিক নিৰ্বাচিত কৰিবলৈ তেওঁ আহ্বান জনায়। গাঁও অঞ্চলৰ হাট-বজাৰ,

দৈনিক বজাৰ আৰু সাপ্তাহিক বজাৰৰ নিবিদাৰ ক্ষেত্ৰত ঘটোৱা বিশেষ সংশোধনীৰ বিষয়েও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। উল্লেখযোগ্য যে, দুই-এদিনৰ ভিতৰতে পঞ্চায়ত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত কালি প্ৰস্তাৱিত নগৰ চিকিৎসালয় পৰিকল্পনা তথা শৈলী সন্দৰ্ভত এখন সভা অনুষ্ঠিত হয়। বিশ্ব বেংকৰ অনুদানপ্ৰাপ্ত এছিষ্ট প্ৰকল্পৰ অধীনত ২০৬ কোটি ১৮ লাখ টকা ব্যয় সাপেক্ষে অসম চিকিৎসা মহাবিদ্যালয়ত ২০০ খন বিছনাযুক্ত নগৰ চিকিৎসালয় নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে। সভাত আয়ুক্তগৰাকীয়ে চিকিৎসালয়খনৰ নিৰ্মাণৰ পৰিকল্পনা সম্পৰ্কে বুজ লয়। সভাত জিলা উন্নয়ন আয়ুক্ত, স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক, অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে ভালেসংখ্যক বিষয়ববীয়া উপস্থিত থাকে।

ডিব্ৰুগড়ৰ জিলা আয়ুক্তই কালি কাৰ্যালয়ৰ চৌহদত জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নৱনিৰ্মিত জিলা জৰুৰীকালীন সঞ্চালন কেন্দ্ৰৰ উদ্বোধন কৰে। ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ অধীনৰ ৰাজ্যখনৰ ৮ খন দুৰ্যোগ স্পৰ্শকাতৰ জিলাত এনে জৰুৰীকালীন সঞ্চালন কেন্দ্ৰ নিৰ্মাণ কৰা হৈছে। এই কেন্দ্ৰৰ জৰিয়তে যিকোনো দুৰ্যোগৰ তথ্য আহৰণ কৰাৰ লগতে সংশ্লিষ্ট বিভাগ তথা উৰ্ধতম কৰ্তৃপক্ষলৈ তথ্যৰ আদান-প্ৰদান কৰা হ'ব। কাৰ্যসূচীত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্তকে ধৰি ভালেমান ব্যক্তি উপস্থিত থাকে।

০০০০০

যোৰহাটৰ মহাপুৰুষ শংকৰদেৱ কলাকৃষ্টি কেন্দ্ৰত অনুষ্ঠিত ছিনিয়ৰ চিটিজেন ফ'ৰাম যোৰহাটৰ ৰূপালী জয়ন্তীৰ কালি সামৰণি পৰে। এই উপলক্ষে কালি আয়োজিত মুকলি সভাত মাজুলীৰ দক্ষিণপাট সত্ৰৰ সত্ৰাধিকাৰ ননী গোপাল দেৱ গোস্বামীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰূপালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি ৰোহিনী ভট্টাচাৰ্যৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত ৰূপালী জয়ন্তী উপলক্ষে প্ৰকাশ কৰি উলিওৱা 'উজ্জীৱন' নামৰ স্মৃতিগ্ৰন্থখন উন্মোচন কৰে ৰামায়নী সাহিত্যৰ বিশিষ্ট গৱেষিকা ড° মালিনীয়ে।

০০০০০

যোৰহাট জিলা কৃষি বিভাগৰ উদ্যোগত কালি হেমলাই গাঁও পঞ্চায়তত কৃষি সামগ্ৰী আৰু যন্ত্ৰপাতি বিতৰণ অনুষ্ঠান আয়োজন কৰা হয়। অনুষ্ঠানটোত মৰিয়নি, ন-কছাৰী আৰু চেলেংহাট কৃষি উন্নয়ন চক্ৰৰ কিছুসংখ্যক কৃষকক খাদ্য আৰু পুষ্টি সুৰক্ষা আঁচনি আৰু উত্তৰ-পূবৰ লগতে হিমালয়ৰ পাদদেশৰ বাবে উদ্যানশস্য বিভাগৰ আঁচনিৰ অধীনত বিভিন্ন কৃষিজাত সামগ্ৰী আৰু যন্ত্ৰপাতি বিতৰণ কৰা হয়। অতি বেঙুনীয়া ৰশ্মী প্ৰতিৰোধক পলিথিন, পালভাৰাইজাৰ, চাউল-মছলা ইত্যাদি খুন্দা যন্ত্ৰ, খেৰ কটা যন্ত্ৰ, কেঁচু সাৰ প্ৰস্তুত কৰা সঁজুলি, পানী সিঁচা পাম্প, উদ্যানশস্যৰ কাৰণে প্ৰয়োজনীয় সঁজুলি আৰু বীজ আজিৰ অনুষ্ঠানত বিতৰণ কৰা হয়।

০০০০০

টাই-আহোম উন্নয়ন পৰিষদৰ উদ্যোগত ধেমাজি ঘূগুহা দ'লৰ বাকৰিত যোৱা ২৩ মাৰ্চৰ পৰা অনুষ্ঠিত টাই নৃত্য-গীতৰ কৰ্মশালাৰ কালি সামৰণি পৰে। এই কৰ্মশালাত অঞ্চলটোৰ শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে। কৰ্মশালাখনত টাই-আহোমৰ লোকনৃত্য লাই-লুং-খাম, কা-ৰাগ-চাং-মাই আদি শিকোৱা হয়।

ooooo

সমাপ্ত